## অৰণ্য মানৱ যাদৱ পায়েং, অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ ৰঞ্জিত বৰঠাকুৰৰ অংশগ্ৰহণ

# নগাঁও, গোৱালপাৰা কলেজত জি-২০ সন্মিলনৰ লগত সংগতি ৰাখি আলোচনা-চক্ৰ



গাঁৱৰ নিজা সংবাদদাতা আৰু নিজা তিবেদক, ২ ফেব্ৰুৱাৰী ঃ নগাঁও কলেজ অট'নমাছ)ৰ উদ্যোগত আজি ৱাই-২০, জি-২০ৰ লগত সংগতি ৰাখি 'জলবায়ু বিৱৰ্তন আৰু দুৰ্যোগ প্ৰশমন ঃ বহন ক্ষমতাক জীৱন ধাৰণৰ এক উপায় হিচাপে ঢ়ি তোলা' শীৰ্ষক আলোচনা-চক্ৰ সম্পন্ন হয়। ধৰ্ম, ৰাজনীতি, অৰ্থনীতি সকলোৰে ঊৰ্ধ্বত প্ৰকৃতি বুলি আজি অনুষ্ঠিত আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানত অৰণ্য মানৱ খ্যাত, পদ্মশ্ৰী যাদৱ পায়েঙে অংশগ্ৰহণ কৰে। তেওঁ প্ৰকৃতি সংৰক্ষণৰ প্ৰতি কেনেধৰণে কাম কৰিছিল, কেনেদৰে তেওঁ অৰণ্য মানৱ সন্মান লাভ কৰিছিল তাৰ এক বৰ্ণনা দাঙি ধৰে। বক্তব্যত তেওঁ প্ৰকৃতিয়েই ভগৱান আৰু ভগৱানেই প্ৰকৃতি বুলি উল্লেখ কৰে। উন্নয়নশীল দেশৰ তুলনাত উন্নত দেশত প্ৰদূষণৰ মাত্ৰা অধিক আৰু উন্নত দেশসমূহে এটা সময়ত উন্নয়নশীল দেশৰ পৰা অক্সিজেন ল'বলগীয়া হ'ব বুলি কয়। 'বুঢ়া শালিকাই মাত নলগায়' আপ্ত বাক্য ফাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি উল্লেখ কৰি নৱপ্ৰজন্মইহে প্ৰকৃতি ৰক্ষা কৰিব বুলি পায়েঙে ব্যক্ত কৰে। ছাত্ৰ-ছাত্ৰীসকলে জন্মদিনত কে'ক কটাৰ সলনি এজোপা গছপুলি ৰোপণ কৰিব লাগে বুলি আহ্বান জনাই তেওঁ কয় যে গছেহে পৃথিৱীখন বচাই ৰাখিব। অভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক ড° ভুবন চন্দ্ৰ চুতীয়াই আঁত ধৰা আৰু কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত যাদৱ পায়েঙে গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰতিও শংকা প্ৰকাশ কৰি তেওঁ উত্তৰ-পূৰ্বাঞ্চলত পানী নোহোৱা হোৱা, তামিলনাডু, ওড়িষা, বিহাৰ আদি ৰাজ্য সাগৰপৃষ্ঠৰ ওপৰলৈ উঠি অহাৰ ফলত পানীত ডুব যাব বুলি উল্লেখ কৰে। সঞ্চালকৰ ভাষণত অধ্যক্ষ ড° বৰকটকীয়ে বহনক্ষম পৰিৱেশৰ বিষয়ে ব্যাখ্যা কৰি কয় যে উন্নয়ন আৰু প্ৰকৃতিৰ মাজত ভাৰসাম্য ৰক্ষা কৰি চলিলেহে মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষিত হৈ থাকিব। সমল ব্যক্তি যাদৱ পায়েঙৰ বক্তৃতাৰ পিছতে নগাঁও কলেজৰ তিনিগৰাকী গৱেষকে নিৰ্বাচিত গৱেষণা-পত্ৰ পাঠ কৰে। এই অনুষ্ঠানত অধ্যাপক-অধ্যাপিকা, সংবাদ কৰ্মী আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

■■ গোৱালপাৰাৰ নিজা বাতৰি দিওঁতা ঃ ভাৰত-চীনৰ অভ্যন্তৰীণ বিবাদ চলি থাকিলেও বন্ধুত্বৰ ভাবেৰে অইনধৰণে উন্নয়নৰ কথা চিন্তা কৰিব লাগিব। সীমা বিবাদৰ মাজতে ভাৰতৰ উন্নয়নৰ কথাৰ লগতে প্ৰতিৰক্ষাত গুৰুত্ব দিব লাগিব। গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ২৩ জানুৱাৰীৰ পৰা গোৱালপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত জি-২০ অধ্যক্ষতাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত ৱাই-২০ প্ৰি ইভেণ্টৰ আজি অনুষ্ঠিত আলোচনা-চক্ৰত নিমন্ত্ৰিত বক্তা হিচাপে অংশগ্ৰহণ কৰি ব্ৰিগেডিয়াৰ (অৱসৰপ্ৰাপ্ত) তথা অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰে 'চীনৰ দৃঢ়তা আৰু ভাৰত-চীনৰ সম্পৰ্কত ইয়াৰ প্ৰভাৱ' শীৰ্ষক মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰগৰাকীয়ে জি-২০ সন্মিলনৰ সৈতে আলোচনাৰ বিষয়বস্তুৰ প্ৰাসংগিকতা উল্লেখ কৰি কয় যে সন্মিলনত নিজৰ নিজৰ সমস্যাসমূহ আলোচনাৰ পৰিৱৰ্তে বন্ধুত্ব আৰু ভাতৃত্ববোধৰ জৰিয়তে শান্তি আৰু বিকাশৰ কথাহে প্ৰাধান্য পাব। ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত কুমাৰ ব্ৰহ্মাই আঁত ধৰা আৰু আলোচনাৰ বিষয়বস্তু বিশ্লেষণ কৰা আলোচনা-চক্ৰত আদৰণী ভাষণ দি অধ্যক্ষ ড° সুভাষ বৰ্মনে ইণ্ডো-চীনৰ সম্পৰ্কৰে সাংস্কৃতিক, অৰ্থনৈতিক দিশৰ প্ৰতিফলন ঘটাই কেনেকৈ আগবাঢ়ি যাব পাৰি এই বিষয়টোৰেহে প্ৰাধান্য পাব বুলি কয়। তথ্যসমৃদ্ধ তেওঁৰ ৰসাল, মনোজ্ঞ আলোচনাই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক মণ্ডলীক মন্ত্ৰমুগ্ধ কৰি তোলে। ড° জয়ন্ত কুমাৰ ব্ৰহ্মা আৰু অধ্যক্ষ ড° সুভাষ বৰ্মনে আলোচনাৰ সাৰাংশ বিশ্লেষণ কৰে।

